# তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঘোষণা



প্ৰতিদিন বিশেষ সংবাদ, গোৱালপাৰা, ১ ফেব্ৰুৱাৰীঃ এছ এফ আই, ডি ৱাই এফ আইৰ গোৱালপাৰা জিলা সমিতি আৰু মৃত্তিকা গ্ৰুপৰ উদ্যোগত কালি গোৱালপাৰা মহাবিদ্যালয়ত জিলাভিত্তিক তৰ্ক প্ৰতিযোগিতা এখন অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ মুঠ একৈশগৰাকী ‘প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। তৰ্ক প্ৰতিযোগিতাখনৰ বিষয় আছিল ‘ৰাজনৈতিক নেতৃত্বৰ অভাৱেই অসমৰ আৰ্থ-সামাজিক পশ্চাৎপদতাৰ বাবে দায়ী’। দুটা শাখাত অনুষ্ঠিত সাম্প্ৰতিক আৰু বিশেষ তৰ্ক প্ৰতিযোগিতাখনৰ বিদ্যালয় শাখাত শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে ব্ৰুকফিল্ড এডুকেচন এণ্ড ৰিচাৰ্চ চেণ্টাৰৰ ছাত্ৰী হিয়াশ্ৰী পাঠকে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে গোৱালপাৰা ক্লেমিঅ' 'স্কুলৰ ৰাহিদা ৰহমানে, তৃতীয় পুৰস্কাৰ লাভ কৰে কৃষ্ণাই চেইণ্ট জেভিয়াৰ্ছ স্কুলৰ স্মৃতা ভৰালীয়ে। মহাবিদ্যালয় শাখাত শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ মাহমুদা ৰহমান, দ্বিতীয় পুৰস্কাৰ লাভ কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ আফছানা ৰহমান, তৃতীয় পুৰস্কাৰ লাভ কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাকেশ পোদ্দাৰে। তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষ আছিল গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰতন ভট্ট, মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন। বিচাৰক মণ্ডলীত অংশ লয় দুধনৈ কলেজৰ অধ্যক্ষ ড° মানসলোচন দাস, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক ক্ৰমে ড° জয়ন্ত ব্ৰহ্ম, ড° ৰণজিৎ চৌধুৰী। তদুপৰি এছ এফ আইৰ ৰাজ্যিক সভাপতি কাশ্যপ চৌধুৰী, মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ উপস্থিতিত বিষয়-বস্তু সন্দৰ্ভত প্ৰতিযোগিতাত অংশ লোৱা বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মুক্ত আলোচনা হয়। শেষত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ আৰু বটা বিতৰণ কৰে ক্ৰমে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক ড° জয়ন্ত ব্ৰহ্ম, হাচনা ৰৱভূঞা, প্ৰাক্তন অধ্যাপক প্ৰদীপ কুমাৰ শীলে।